অসম চৰকাৰ
কার্যালয় : ডবকা পৌৰসভা, ডবকা
হোজাই : অসম - পিন-৭৮২৪৪০
Email: dabakatc@gmail.com

স্মাৰক নং - ডি.এম.বি./ ১৫৫/২০২৬/৪২৯১ তাৰিখ: ২৫/১১/২০২৬ ইং

জাননী

ইয়াৰ দ্বাৰা সাধাৰণ ৰাইজ / ব্যক্তি / প্রতিষ্ঠান / বেচৰকাৰী প্রতিষ্ঠান / সংস্থা / মহলদাৰ / লেচি / প্রতিষ্ঠিত নিবিদাদাৰ সকলোৰে জ্ঞাতার্থে জনোৱা যায় যে ডবকা পৌৰসভাৰ অধীনস্থ নিম্ন উল্লেখিত বজাৰ সমূহ ২০২৬-২৭, আৰু ২০২৭-২৮ বিত্তীয় বর্ষৰ বাবে মুঠ ১৫ মাহৰ (১ জানুৱাৰী ২০২৬ ৰ পৰা ৩১ মার্চ ২০২৮) বাবে বন্দোবস্তী দিবলৈ নিবিদা আহ্বান কৰা হৈছে। ইচ্ছুক নিবিদাদাৰৰ পৰা নিম্নলিখিত বজাৰ সমূহৰ বাবে পৃথক পৃথক চীল মোহৰ যুক্ত বন্ধ খামত ১০ (দহ) টকা মূল্যৰ আদালত মাচুল টিকট (কোর্ট ফি ষ্টাম্প) সহ নিবিদা আহ্বান কৰা হৈছে। অহা ইং ২৬/১১/২০২৬ তাৰিখৰ পৰা ইং ২২/ ১২ /২০২৬ তাৰিখ বিয়লি ২ বজালৈকে নিবিদা গ্রহণ কৰা হব। কোনো কাৰণতেই উল্লেখিত নির্দিষ্ট দিন ও সময় উকলি যোৱাৰ পিছত নিবিদা গ্রহণ কৰা নহব। নিবিদা খোলাৰ তাৰিখ ও সময় ইং ২২ / ১২ /২০২৬ তাৰিখ দিনৰ ৩ টা বজাত। সংশ্লিষ্ট বজাৰ সমূহৰ বিপৰীতে দেখুওৱা নিৰিখ মতে ইচ্ছুক নিবিদাদাৰ সকলে আমানতৰ ধন নিম্ন বর্ণিত ডবকা পৌৰসভাৰ নামত থকা বেংক **একাউন্ট নং ০২৯০০৫০০০৬৯৬৫ (0290050006965)** (পঞ্জাব নেচনেল বেংক) ত ধন জমা দি বেংক ৰচিদ কার্যালয়ত জমা দি কার্যালয়ৰ পৰা ৰচিদ লৈ নিবিদাৰ লগত গাঁথি দিব লাগিব।

বজাৰ আৰু পার্কিং ইত্যাদিৰ বিৱৰণ

ক্রমিক নং	বজাৰৰ নাম (Market Name)	আমানতৰ ধনৰ নিৰিখ (টকা) (Earnest Money Deposit 10%)	মাহেকীয়া নিম্নতম মূল্য (Estimated Base Value)	মাহেকীয়া সর্বোচ্চ নিবিদাৰ সীমা (Bid Limit)
১	ডবকা দৈনিক বজাৰ	৪৮৪০.০০	৪৮৪০০.০০	মাহেকীয়া নিম্নতম মূল্যৰ ওপৰত ৩০%
২	ডবকা সাপ্তাহিক বজাৰ	৫৭২০.০০	৫৭২০০.০০	মাহেকীয়া নিম্নতম মূল্যৰ ওপৰত ৩০%
৩	ডবকা পশু বজাৰ	২৫৩০০.০০	২৫৩০০০.০০	মাহেকীয়া নিম্নতম মূল্যৰ ওপৰত ৩০%
৪	Slot 1 হোজাই লংকা পার্কিং	২৫০০.০০	২৫০০০.০০	মাহেকীয়া নিম্নতম মূল্যৰ ওপৰত ৩০%
৫	Slot 2 মালবাহী পার্কিং	১৭০০.০০	১৭০০০.০০	মাহেকীয়া নিম্নতম মূল্যৰ ওপৰত ৩০%
৬	Slot 3 নগাওঁ পার্কিং	৭১৫০.০০	৭১৫০০.০০	মাহেকীয়া নিম্নতম মূল্যৰ ওপৰত ৩০%

৭	Slot 4 যমুনামুখ পার্কিং (৩ চকীয়া যান-বাহন)	৫০০.০০	৫০০০.০০	মাহেকীয়া নিম্নতম মূল্যৰ ওপৰত ৩০%
৮	Slot 5 ভেলৌগুৰী পার্কিং (৩ চকীয়া যান-বাহন)	৫০০.০০	৫০০০.০০	মাহেকীয়া নিম্নতম মূল্যৰ ওপৰত ৩০%
৯	Slot 6 কার্বি আংলং পার্কিং	১৫০০.০০	১৫০০০.০০	মাহেকীয়া নিম্নতম মূল্যৰ ওপৰত ৩০%
১০	Slot 7.1, 7.2, 7.3, 7.4 ৪ খন ই-ৰিক্সা পার্কিং	১০০০০.০০	১০০০০০.০০	মাহেকীয়া নিম্নতম মূল্যৰ ওপৰত ৩০%
১১	Slot 8 ডবকা বজাৰ পার্কিং (Near Dabaka MB Office)	৫০০.০০	৫০০০.০০	মাহেকীয়া নিম্নতম মূল্যৰ ওপৰত ৩০%
১২	Slot 9 যমুনাগাওঁ/হালধিয়াতি (৩ চকীয়া যান-বাহন)	৫০০.০০	৫০০০.০০	মাহেকীয়া নিম্নতম মূল্যৰ ওপৰত ৩০%

সভানেত্রী
ডবকা পৌৰসভা
Chairperson
Dabaka Municipal Board

কার্য্যবাহী বিষয়া
ডবকা পৌৰসভা
Executive Officer
Dobaka Municipal Board

বজাৰ আৰু পার্কিং সমুহৰ নিয়মাৱলী

১) ডবকা পৌৰসভাৰ অধীনত ২০২৩-২৪, ২০২৪-২৫ আৰু ২০২৫-২৬ বিত্তীয় বর্ষবোৰত মাহেকীয়া কিস্তি পৰিশোধ কৰাত ব্যর্থ হোৱা ব্যক্তি বা কোনো আইনী/আর্থিক দায়বদ্ধতা পূৰণ কৰাত ব্যর্থ হোৱা ব্যক্তি সকলে এই নিবিদা প্রক্রিয়াত অংশ গ্রহণ কৰিব নোৱাৰিব।

২) মাহেকীয়া ভাড়া প্রতিবছৰ ১ এপ্রিলৰ পৰা চলিত ভাড়াৰ ওপৰত ১০% বর্দ্ধিত হাৰত ধার্য্য কৰা হব।

৩) মাহেকীয়া নিম্নতম মূল্য (Monthly Base Value) ৰ ওপৰত সর্বোচ্চ ৩০% নিবিদাৰ সীমা (Bid limit) বাহাল থাকিব। ইয়াৰ ওপৰত প্রাপ্ত সকলো/যিকোনো নিবিদা পত্র বাতিল কৰা হব।

৪) মাহেকীয়া কিস্তি পৰিশোধ কৰাৰ ক্ষেত্রত যিকোনো নিবিদাকাৰী অপাৰগ/অক্ষম হলে সংশ্লিষ্ট বজাৰ বা মহল পৌৰসভাই উপযুক্ত নিজাববীয়া কৰ সংগ্রাহক (Toll Collector) নিযুক্ত কৰি সকলো কৰ সংগ্রহ কৰিব পাৰিব। এই ক্ষেত্রত কোনো তৃতীয় পক্ষৰ আপত্তি গ্রহণযোগ্য নহব।

৫) যিকোনো ধৰণৰ ওজৰ আপত্তি, মতবিৰোধ, তর্ক-বিতর্ক হোজাই জিলা আয়ুক্ত অথবা কার্য্যবাহী বিষয়াৰ ওচৰত গোহাৰী জনাব পাৰিব।

৬) ডবকা পৌৰসভাই নির্দিষ্ট কৰি দিয়া প্র-পত্রত নিবিদা দাখিল দিব লাগিব আৰু উক্ত প্র-পত্র কার্যালয়ৰ পৰা নিবিদাকাৰীয়ে ৫৯০.০০ (পাঁচশ নব্বৈ) টকা (including GST 18%) মূল্যত কিনি লব লাগিব।

৭) দুই বা তাতোধিক নিবিদাকাৰীৰ নিবিদা মূল্যৰ নিৰিখ একে হলে লটাৰীৰ যোগেদি যোগ্য নিবিদাকাৰী বাচি উলিওৱা হব। এই ক্ষেত্রত কোনো তৃতীয় পক্ষৰ আপত্তি গ্রহণযোগ্য নহব।

৮) নিবিদাদাৰৰ নামত কোনো পৌৰসভা, গাওঁ পঞ্চায়ত বা আঞ্চলিক পঞ্চায়তৰ ঋণ ও কৰ, মাটিৰ খাজনা, ৰাজহ, নগৰ-গাওঁ সমবায় ঋণ আদিৰ অনাদায়ী প্রমাণ পালে নিবিদা গ্রহণযোগ্য নহব। গতিকে, তেনে ঋণ ও কৰ মুক্ত ৰাজহ আদায়ৰ প্রমাণ পত্রাদি নিবিদাৰ লগত গাঁথি দিব লাগিব। তেনে ঋণ বা কৰ আদি অনাদায়ী প্রমাণ পালে বন্দোবস্তীৰ পিছতো নিবিদা ৰদ কৰি পুনৰ বন্দোবস্তী দিয়াৰ বাবে ডবকা পৌৰসভাৰ কর্তৃপক্ষৰ ক্ষমতা থাকিব।

৯) মাহেকীয়া কিস্তিৰ টকা প্ৰতিমাহৰ ১ম সপ্তাহত আদায় দিব লাগিব।

১০) নিবিদাকাৰীয়ে প্ৰতিখন বজাৰৰ বিপৰীতে পৃথক পৃথক নিবিদা প্ৰ-পত্ৰ সংগ্ৰহ কৰিব লাগিব আৰু জমা দিয়া খাম ওপৰত বজাৰৰ নাম স্পষ্ট ভাবে লিখি দিব লাগিব।

১১) নিবিদাকাৰীয়ে নিবিদা মাচুল জমা দিয়াৰ ৰছিদ নিবিদাৰ সৈতে গাঁথি দিব লাগিব।

১২) নিৰ্বাচিত মহলদাৰে স্বচ্ছতা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত বিহীত ব্যৱস্থা লব লাগিব।

১৩) একান্নভুক্ত বা যৌথ কাৰবাৰত থকা লোকৰ ২নং চৰ্ত মতে ঋণ বা মাচুল আদি বাকী থকা প্ৰমাণ পালে তেওঁলোকৰ নিবিদা গ্ৰহণ কৰিবলৈ ডবকা পৌৰসভাৰ কৰ্তৃপক্ষ বাধ্য নাথাকিব।

১৪) পৌৰসভাৰ কৰ্তৃপক্ষই উচিত বিবেচনা কৰিলে যিকোনো নিবিদা নাকচ বা গ্ৰহণ কৰা ক্ষমতা থাকিব।

১৫) কোনো চৰ্ত উচিত বিবেচিত নহলে ডবকা পৌৰসভা কৰ্তৃপক্ষই উচ্চতম নিবিদাতো বন্দোবস্তী দিবলৈ বাধ্য নাথাকিব।

১৬) নিবিদা চূড়ান্ত হলে নিবিদাদাৰৰ নাম, বজাৰৰ নাম, মাহেকীয়া কিস্তিৰ নিৰিখ উল্লেখ কৰি কাৰ্যালয়ৰ নোটিচ বোৰ্ডত জাননী আঁৰি দিয়া হব আৰু সেই জাননী প্ৰকাশ পোৱাৰ ৭ (সাত) দিনৰ ভিতৰত ১২ মাহৰ চাৰি ভাগৰ একভাগ ধন জামানতী হিচাপে কাৰ্যালয়ত জমা দিব লাগিব। জামানতীৰ ধন নিৰ্দিষ্ট সময়ৰ ভিতৰত জমা দিব নোৱাৰিলে সেই হাট/বজাৰৰ বাবে অন্য নিবিদাদাৰক উক্ত হাট/বজাৰ বন্দোবস্তী দিয়া হব। নতুবা পুনৰ নিবিদা আহ্বান কৰি বন্দোবস্তী দিয়া হব। তেনে ক্ষেত্ৰত দ্বিতীয় বন্দোবস্তী মতে মূল্য কম হলে ঘাটি পৰা ধন প্ৰথম বন্দোবস্তী পোৱা নিবিদাদাৰৰ পৰা আইনমতে আদায় কৰা হয়। কোনো কাৰণবশত জামানতীৰ ধন বাজেয়াপ্ত নহলে বছৰৰ শেষত ঘুৰাই পাব বা শেষৰ ৩ মাহৰ কিস্তিৰ সৈতে সমায়োজন কৰা হব।

১৭) বজাৰ বন্দোবস্তী পোৱাৰ লগে লগে মহলদাৰ সকলে বন্দোবস্তীৰ চৰ্তৰ চুক্তি পত্ৰত চহী কৰিব লাগিব।

১৮) নিবিদাদাৰ সকলে নিবিদাত উল্লেখ কৰা মাহেকীয়া ধনৰ নিৰিখ অনুসৰি বছৰৰ সম্পূৰ্ণ ধনৰ মূল্যৰ নিজ নামৰ বা জামিনদাৰ থাকিলে জামিনদাৰৰ স্থাৱৰ সম্পত্তি জামিন লিখি দিব লাগিব। বন্দোবস্তী পোৱা নিবিদাদাৰ সকলে নিবিদাত উল্লেখ কৰা মতে বন্ধকী দলিল দাখিল দি কবুলিয়ৎ সম্পাদন কৰিব লাগিব।

১৯) নিবিদাদাৰ ও অংশীদাৰ সকলে বন্ধকী দিব খোজা সম্পত্তিৰ বিৱৰণ নিবিদাত উল্লেখ কৰিব লাগিব আৰু জামিনদাৰ সকলে নিজৰ দখলত থকা মাটি জামিন লিখি দিব বুলি চহী কৰি দিব লাগিব।

২০) মনোনীত নিবিদাদাৰৰ নামত যদি বন্দোবস্তীৰ ৭ (সাত) দিনৰ ভিতৰত নিবিদাত উল্লেখ কৰা পৰিমাণ অনুসৰি গোটেই বছৰৰ ধন আদায় কৰি দিয়ে তেন্তে উল্লেখিত সম্পত্তিৰ বন্ধকীকৰণ আৱশ্যক নহব।

২১) নিবিদাৰ জামিনদাৰ সকলে পৌৰসভাৰ গৃহ কৰ, মাটিৰ খাজনা আদায়ৰ প্ৰমাণ পত্ৰ ও কোঃ অঃ সমবায় ঋণ নথকাৰ প্ৰমাণ পত্ৰ নিবিদাৰ লগত গাঁথি দিব লাগিব।

২২) **বন্দোবস্তী ম্যাদ ইং ২০২৭ চনৰ ১ জানুৱাৰী পৰা ৩১ মাৰ্চ ২০২৮ পৰ্য্যন্ত বাহাল থাকিব।**

২৩) নিবিদাদাৰৰ বয়স কমেও ১৮ বছৰ হব লাগিব।

২৪) বজাৰৰ ভিতৰত থকা ভিটা বিলাকৰ পৰা ডবকা পৌৰসভাই পট্টন দিয়া মতে ডবকা পৌৰসভাই কৰ সংগ্ৰহ কৰিব পাৰিব।

২৫) যি কোনো হাট/বজাৰৰ বাবে নিবিদাদাৰে আগবঢ়োৱা মাহেকীয়া মূল্যহে নিবিদাত উল্লেখ কৰিব লাগিব।

২৬) নিবিদাদাৰে নিবিদা দিয়াৰ খামৰ ওপৰত কোনখন বজাৰৰ বাবে নিবিদা দিছে সেই বজাৰৰ নাম স্পষ্টকৈ লিখি দিব লাগিব।

২৭) নিবিদাদাৰে নিবিদা দিয়াৰ পিছত কোনো কাৰণতে নিবিদা উঠাই লব নোৱাৰিব।

২৮) নিবিদাদাৰে নিজ চহী বা টিপ দি নিবিদা দাখিল কৰিব লাগিব। নিবিদাত নিবিদাদাৰৰ নিজা চহী নহয় বুলি প্ৰমাণ হলে তেনেলোকৰ নিবিদা গ্ৰহণ হোৱাৰ পিছতো নাকচ কৰা হব আৰু আদালতত তেনে লোকৰ বিৰুদ্ধে গোচৰ কৰা হব।

২৯) নিবিদাকাৰীয়ে বা তেওঁৰ জামিনদাৰে নিবিদাত উল্লেখ কৰা স্থাৱৰ সম্পত্তিৰ দায়মুক্ত প্ৰমাণ-পত্ৰ বন্দোবস্তী পালে কবুলিয়ৎ কৰাৰ সময়ত দাখিল কৰিব লাগিব।

৩০) বন্দোবস্তী পোৱাৰ পিছত মহলদাৰে উল্লেখ কৰা পৌৰসভাৰ চৰ্ত্ত সমূহ মানি বজাৰ পৰিচালনা কৰিব লাগিব।

ক) হাট/বজাৰত বিশুদ্ধ পানীৰ ব্যৱস্থা থাকিব লাগিব।

খ) যদি কোনো চৰকাৰী/ডবকা পৌৰসভাৰ (ক্ষমতা প্ৰাপ্ত) কৰ্মচাৰীয়ে হাট/বজাৰ পৰিদৰ্শনৰ বাবে যায় তেন্তে তেওঁলোকক মহলদাৰে পৰিদৰ্শন কৰাত সহায় কৰিব লাগিব।

গ) হাট/বজাৰৰ ভিতৰত নিৰ্দ্ধাৰিত মাচুলৰ তালিকা ওলোমাই ৰাখিব লাগিব আৰু অতিৰিক্ত নিৰিখৰ মাচুল সংগ্ৰহ কৰিব নোৱাৰিব। অতিৰিক্ত মাচুল লোৱাৰ প্ৰমাণ পালে বজাৰৰ পট্টা নাকচ কৰা হব। মাচুলৰ তালিকাৰ ফলি পৌৰসভাই যোগান দিব। কিন্তু তাৰ বাবে যি খৰচ মহলদাৰে বহন কৰিব লাগিব।

ঘ) চৰকাৰী কোনো বস্তু বেচা-কিনা হলে মাচুল আদায় কৰিব নোৱাৰিব।

ঙ) পৌৰসভাৰ লিখিত হুকুম নোহোৱাকৈ অন্য কোনো লোকক মাচুল তুলিবলৈ দিব নোৱাৰিব। গৰু, মহ, ছাগলী আদিৰ বাবে পৌৰসভাৰ ছপা কৰোৱা নিৰ্দিষ্ট ৰচিদ বহীহে ব্যৱহাৰ কৰিব পাৰিব।

চ) হাট/বজাৰত মদ বিক্ৰি, জুৱা খেল সম্পূৰ্ণ ভাবে নিষিদ্ধ আৰু মহলদাৰে তেনে কাৰ্য্যত সুবিধা দিলে তেখেতক দিয়া পট্টা লগে লগে নাকচ কৰা হব অথবা যথোপযুক্ত জৰিমানা বিহা হব পাৰিব।

ছ) হাট/বজাৰ পৰিষ্কাৰ কৰি ৰাখিব লাগিব, ব্যতিক্ৰম হলে পৌৰসভাই পৰিষ্কাৰ কৰাই প্ৰয়োজনীয় খৰচ মহলদাৰৰ পৰা আদায় কৰিব পাৰিব।

জ) বজাৰৰ চৌহদৰ পৰা ১ কি.মি. ভিতৰত বস্তু বিক্ৰি কৰিলে পৌৰসভাৰ নিৰ্দ্ধাৰিত নিৰিখত বজাৰৰ মহলদাৰে মাচুল আদায় কৰিব পাৰিব।

ঝ) কোনো কাৰণত বজাৰৰ ভিতৰৰ ৰাস্তা-ঘাট মহলদাৰে নষ্ট কৰিব নোৱাৰিব। তেনে কৰিলে মহলদাৰে সম্পূৰ্ণ ক্ষতিপূৰণ দিব লাগিব।

৩১) প্ৰাকৃতিক কাৰণত বা আন কোনো কাৰণত বজাৰ বন্ধ হলে কোনো ধৰণৰ ক্ষতিপূৰণ পৌৰসভাৰ পৰা দিয়া নহব।

৩২) সাপ্তাহিক বজাৰৰ দিনা যি হাৰে মহলদাৰে বিভিন্ন বস্তুৰ মাচুল আদায় কৰে সেই একে হাৰে দৈনিক বজাৰৰ মহলদাৰে পৌৰসভাৰ বজাৰ এলেকাৰ সমিতিয়ে নিৰ্দ্ধাৰণ কৰা মাচুল আদায় কৰিব পাৰিব।

৩৩) পশু বজাৰৰ ক্ষেত্ৰত অসম চৰকাৰে ২০২৩ চনত প্ৰযোজ্য কৰা পশু আইন মানি চলিব লাগিব। যেনে- কোনো গৰু জিলাৰ বাহিৰত অনা-নিয়া কৰিলে চৰকাৰী বিভাগীয় কৰ্তৃপক্ষৰ অনুমতি লব লাগিব। লগতে সকলো গৰুৰে উপযুক্ত নথি থাকিব লাগিব। লগতে সকলো বাহনৰ উপযুক্ত নথি থাকিব লাগিব।

৩৪) হাঁহ, কুকুৰা আদিৰ বজাৰ সাপ্তাহিক বজাৰত অনুষ্ঠিত হব।

৩৫) বন্দোবস্তী দিয়াৰ পিছতো কোনো কাৰণ নদৰ্শোৱাকৈ বন্দোবস্তী নাকচ কৰাৰ সম্পূৰ্ণ ক্ষমতা ডবকা পৌৰসভাৰ কৰ্তৃপক্ষৰ থাকিব।

৩৬) নিবিদাকাৰীৰ নিবিদাত উল্লেখ কৰা কোনো তথ্য মিছা প্ৰমাণিত হলে পট্টা পোৱাৰ পিছতো ডবকা পৌৰসভাৰ কৰ্তৃপক্ষই উক্ত পট্টা ৰদ কৰাৰ ক্ষমতা থাকিব। তদুপৰি যদি মহলদাৰে চুক্তিৰ চৰ্তাদি বা কৰ্তৃপক্ষই সময়ে সময়ে দিয়া কোনো নিৰ্দেশ লংঘন কৰে তেন্তে কৰ্তৃপক্ষই যিকোনো মুহূৰ্তত মহলদাৰৰ পট্টা নাকচ কৰি বিকল্প ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব, তেনে কৰোতে যদি ডবকা পৌৰসভাৰ ক্ষতি হয়, সেই ক্ষতি মহলদাৰৰ পৰা আদায় কৰা হব।

সভানেত্ৰী
ডবকা পৌৰসভা
Chairperson
Dabaka Municipal Board

কাৰ্য্যবাহী বিষয়া
ডবকা পৌৰসভা
Executive Officer
Dobaka Municipal Board

স্মাৰক নং - ডি.এম.বি./১৫,১৫(A) 2026-27 /৪১৯১(A)

তাৰিখ: ২৫/১১/২০২৬

প্ৰতিলিপি:-

১. আয়ুক্ত ও সচিব মহোদয়া, নগৰ উন্নয়ন বিভাগ, অসম চৰকাৰ, গুৱাহাটী-৬, আপোনাৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

২. সঞ্চালক মহোদয়, পৌৰপ্ৰশাসন সঞ্চালকালয় অসম, দিছপুৰ, গুৱাহাটী-৬, আপোনাৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

৩. জিলা আয়ুক্ত মহোদয়, শ্ৰীমন্ত শংকৰদেৱ নগৰ, হোজাই জিলা, আপোনাৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

৪. অতিৰিক্ত জিলা আয়ুক্ত (নগৰাঞ্চল) মহোদয়, শ্ৰীমন্ত শংকৰদেৱ নগৰ, হোজাই, আপোনাৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

৫. চক্ৰ বিষয়া, ডবকা ৰাজহ চক্ৰ, ডবকা, আপোনাৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

৬. জিলা তথ্য ও জনসংযোগ বিষয়া মহোদয়া, আপোনাৰ জ্ঞাতাৰ্থে ও বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল।

৭. ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মহোদয়, ডবকা আৰক্ষী থানা, আপোনাৰ জ্ঞাতাৰ্থে ও বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল।

৮. বিত্তীয় ব্যৱস্থাপনা বিষয়া, ডবকা পৌৰসভা, ডবকা, আপোনাৰ জ্ঞাতাৰ্থে ও বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল।

৯. নগৰাঞ্চল কাৰিকৰী বিষয়া, ডবকা পৌৰসভা, ডবকা, আপোনাৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

সভানেত্ৰী
ডবকা পৌৰসভা
Chairperson
Dabaka Municipal Board

কাৰ্যবাহী বিষয়া
ডবকা পৌৰসভা
Executive Officer
Dobaka Municipal Board